জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩০/২০২১

দুদিনীয়া কাৰ্যসূচীৰে ডিফুত অনুষ্ঠিত উপায়ুক্ত সন্মিলনৰ সামৰণি

# ৰাজ্য চৰকাৰে অহা ৬ মাহৰ ভিতৰত গ্ৰহণ কৰিবলগীয়া কাৰ্যসূচীসমূহৰ নিৰীক্ষণ আৰু ৰূপায়ণ সম্পৰ্কে বৈঠকত আলোচনা

# উপায়ুক্তৰ কাৰ্যালয় আৰু সচিবালয়লৈ নোযোৱাকৈয়ে জনসাধাৰণৰ সমস্যা সমাধানৰ ওপৰত বৈঠকত গুৰুত্ব আৰোপ

# উপায়ুক্ত সন্মিলনে ৰাজ্য প্ৰশাসনলৈ ইতিবাচক বাৰ্তা কঢ়িয়াই আনিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ আগষ্ট ঃ** ৰাজ্যৰ বিকাশমুখী যাত্ৰাক নতুন গতি দিয়াৰ বাবে এখন সুসংহত কৰ্ম আঁচনি যুগুত কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত কালিৰে পৰা কাৰ্বি আংলং জিলাৰ ডিফুৰ মাটিপুংস্থিত উদ্যান শস্য আৰু কাৰুশিল্প কেন্দ্ৰৰ সভাকক্ষত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত উপায়ুক্ত সন্মিলনৰ আজি সামৰণি পৰে। উল্লেখ্য যে কালি পুৱা ১১ বজাৰ পৰা নিশা ১২ বজালৈ এই বৈঠক অনুষ্ঠিত হোৱাৰ পিছত আজি পুৱা পুনৰ ৮.৩০ বজাৰ পৰা আৰম্ভ হৈ আবেলি ৪ বজাত এই বৈঠকৰ সামৰণি পৰে। ২১ ঘণ্টা ধৰি উপায়ুক্তসকলৰ সৈতে হোৱা এই সন্মিলনত ৰাজ্য প্ৰশাসনৰ সৈতে জড়িত বিভিন্ন দিশসমূহ বিতংভাৱে আলোচনা কৰা হয়।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা ৬ মাহৰ ভিতৰত ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰিবলগীয়া কাৰ্যসূচীসমূহ আৰু সেইসমূহৰ নিৰীক্ষণ তথা সময় সাপেক্ষ ৰূপায়ণ সম্পৰ্কে এই বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভূমি নথি উন্নীতকৰণৰ ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত সেই সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়। তেওঁ কয় যে ৰাজ্যত বহু ব্যক্তিৰ ভূমি নামজাৰি নোহোৱাৰ লগতে বহু ব্যক্তিয়ে ভূমিৰ প্ৰয়োজনীয় নথি-পত্ৰ লাভ নকৰাকৈ আছে। তদুপৰি, ভূমি হস্তান্তৰৰ লেখীয়া সমস্যাসমূহৰ উপৰি বহু ভূমিৰ সঠিক তথ্য ৰাজহ প্ৰশাসনৰ ওচৰত উপলব্ধ নাই। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে 'বসুন্ধৰা' নামেৰে এটা নতুন অভিযান আৰম্ভ কৰিবলৈ সিদ্ধান্ত লৈছে যাতে জনসাধাৰণৰ ভূমিৰ সমস্যাবোৰ সহজে দূৰ হয়। সৰ্বসাধাৰণ ৰাইজে যাতে উপায়ুক্তৰ কাৰ্যালয় আৰু সচিবালয়লৈকে নোযোৱাকৈয়ে নিজৰ সমস্যা ৱেব পোৰ্টেলৰ জৰিয়তে অথবা ব্যক্তিগত প্ৰামাণিকৰণৰ দ্বাৰা সমাধান কৰিব পাৰে সেই বিষয়সমূহো এই

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

বৈঠকত আলোচনা কৰা হয়।

উপায়ুক্ত সন্মিলনে ৰাজ্য প্ৰশাসনলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক অৱগত কৰে যে এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ সময়মতে ৰূপায়ণ কৰি নিৰ্দ্ধাৰিত লক্ষ্যত কেনেদৰে উপনীত হ'ব পৰা যায় সেই বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। সেইদৰে জিলা উপায়ুক্ত পৰ্যায়ত প্ৰশাসনীয় ব্যৱস্থাটোত দেখা দিয়া বিভিন্ন অসুবিধাসমূহো এই বৈঠকত আলোচনা কৰা হয়। আৰক্ষীয়ে লৈ থকা ব্যৱস্থাসমূহৰ সৈতে অসামৰিক প্ৰশাসনক জড়িত কৰি কেনেদৰে একেলগে কাম কৰিব পৰা যায় সেই বিষয়সমূহো বৈঠকত বিতংভাৱে পৰ্যালোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে অৱগত কৰে যে পৰৱৰ্তী উপায়ুক্ত সন্মিলন ৬ মাহৰ পিছত তেজপুৰত অনুষ্ঠিত হ'ব আৰু সেই সন্মিলনতে আজি গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হ'ব।

উল্লেখ্য যে এই বৈঠকত বিভাগীয় মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে নিজ নিজ বিভাগৰ আঁচনিসমূহ দাঙি ধৰাৰ লগতে এই আঁচনিসমূহৰ সফল ৰূপায়ণৰ দিশত উপায়ুক্তসকলে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

বৈঠকত কেইবাগৰাকীও মন্ত্ৰী, মুখ্য সচিব, ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়া, স্বায়ত্ত শাসিত পৰিষদৰ প্ৰধান সচিব আৰু উপায়ুক্তসকল উপস্থিত থাকে।

আনহাতে, আজি পুৱাৰ ভাগত মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিফু আৱৰ্ত্ত ভৱন চৌহদত নিৰ্মাণ কৰা অতিৰিক্ত ভৱনৰো শুভ উদ্বোধন কৰে।

**পুঃডেঃ**
**২৩/০৮/২০২১**